**অসম বিধান সভা**

**লিখিত প্ৰশ্ন নং : ১৯৬**

**উত্তৰ দিয়াৰ তাৰিখ – ০৯/০৭/২০২৬**

**বিষয়ঃ** বহৰি অঞ্চলক কৃষিভিত্তিক বাণিজ্য, সংৰক্ষণ আৰু ৰপ্তানিৰ এক আধুনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা সন্দৰ্ভত ।

**সদস্যৰ নামঃ শ্ৰীদীপক কুমাৰ দাসঃ**

১৯৬। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ঐতিহাসিকভাৱে বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিচিত বহৰি অঞ্চলক কৃষিভিত্তিক বাণিজ্য, সংৰক্ষণ, বিপণন আৰু ৰপ্তানিৰ এক আধুনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেনেধৰণৰ জনাব।

**উত্তৰঃ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

বহৰি অঞ্চলৰ মানেৰি গাঁৱৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত অসম উদ্যোগিক উন্নয়ন নিগম (AIDC)-ৰ প্ৰায় ৪০ বিঘা আবণ্টিত ভূমিত কেন্দ্ৰীয় চৰকাৰৰ MSME বিভাগৰ অনুদানেৰে এখন উদ্যোগিক পামৰ নিৰ্মাণৰ কাম চলি আছে। উক্ত উদ্যোগিক পামখনৰ নিৰ্মাণকাৰ্য ৩০ নৱেম্বৰ, ২০২৬ ৰ ভিতৰত সম্পূৰ্ণ হ'ব। পামখনত ১৮টা MSME উদ্যোগ স্থাপনৰ বাবে ভূমি আবণ্টনৰ ব্যৱস্থা কৰা হৈছে।

ইয়াৰ উপৰিও, উক্ত অঞ্চলত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ অধীনত ক্ষুদ্ৰ উদ্যোগ আৰু ব্যৱসায় প্ৰতিষ্ঠান গঢ়িবলৈ মুঠ ২০৬ গৰাকী হিতাধিকাৰীক আৰ্থিক সাহাৰ্য্য হিচাবে মুঠ ২৩৫.০০ লাখ টকা প্ৰদান কৰা হৈছে ।

PMEGP আঁচনিৰ অধীনত ২০২০ চনৰ পৰা বৰ্তমানলৈকে মুঠ ৮৭ গৰাকী হিতাধিকাৰীক ঋণ অনুমোদন কৰা হৈছে। তদুপৰি, PMFME আঁচনিৰ অধীনত ২০২২ চনৰ পৰা ২০২৫ চনলৈকে মুঠ ৭৫ গৰাকী হিতাধিকাৰীক ঋণ অনুমোদন কৰা হৈছে।

এই আঁচনিসমূহৰ জৰিয়তে স্থানীয় উদ্যমীসকলক স্বনিৰ্ভৰশীল কৰি তোলাৰ উপৰিও কৃষিভিত্তিক উদ্যোগ স্থাপন, সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ, বিপণন আৰু মূল্য সংযোজনৰ জৰিয়তে অঞ্চলটোৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত সহায় কৰিব।

**********